# শেষ কবিতা

শাৰদ সুবাসত সুগন্ধিত মনৰ
নিভৃত কোণত আজি এক অসহিষ্ণু দাবানল,
গুজৰি-গুমৰি উঠিছে মোৰ প্ৰাণ চঞ্চল;
বলিয়া বতাহে জাকেও কাণত আহি কৈছেহি
মনত পৰিছে মৰমলৈ....
বেদনাৰ সাগৰত বঠা মাৰি মাৰি
সাগৰতেই উপজিছে মোৰ স্বপ্ন ভৱিষ্যতৰ,
কিয়নো সাজিলি তই মৰমৰ ভেটি
ছলনাময়ীৰ দিলি পৰিচয়,
ঠুনুকা হিয়া মোৰ ভাঙি কি পালি
পালি জানো সুখ সৰগৰ?

শীতৰ জাৰত কক্‌-বক্‌ কৰি লিখিছিলো
মনৰ বেথা, পাম বুলি সান্ত্বনাৰ মৰমসনা মাত;
বহাগী কবিতায়ো তোৰ মন নেমেলিলে
কবিৰ আশাৰ কৰিলি শৱদাহ!
পাম জানো তোৰ মৰমৰ মাত,
দিবি জানো পুনঃ দেখা?
কাপৰ চিয়াঁহীৰে বুটা তুলিছো
সেয়াই তোলৈ শেষ কবিতা!

দীনেশ গোৱালা
তৃতীয় ষান্মাসিক



# প্ৰেম

আজি মই উপলব্ধি কৰিব পাৰিছোঁ
প্ৰেমৰ প্ৰতিটো শিহৰণ,
সেউজ হৃদয়ৰ প্ৰেমৰ পৰশে
আজি মোক সেউজ কৰি তুলিছে।
মোৰ মনৰ বহল বুকুখনত
সংগোপনে প্ৰেমৰ কঠিয়া ছটিয়াইছে,
মোৰ হৃদয়ৰ পথাৰখনত কেঁচা মাটিৰ গোন্ধ পাওঁ
মোৰ প্ৰেমৰ শস্যভূমিত
লহপহকৈ বাঢ়ি আহিব ধৰিছে
সেউজ সোণোৱালী পকা ধানবোৰ।
মই পাইছোঁ মনৰ পথাৰখনৰ কেঁচা মাটিৰ গোন্ধ
প্ৰেমত বিলীন হয় মোৰ সহস্ৰ সত্তা
সংগোপনে জ্বলি উঠে প্ৰেমৰ সহস্ৰ অনুভূতি।

লনী কলিতা
প্ৰথম ষাণ্মাসিক



# মন গ'লেই

মন গ'লেই তুমি আহা,
মন গ'লেই তুমি স্তুতি যোৱা।
মন গ'লেই তুমি,
ৰামধনুৰ ৰূপত আহি স্পৰ্শ কৰিও যোৱা।

মন গ'লেই তুমি,
অবতৰীয়া বতৰৰ দৰে গোমোঠা হৈ পৰা।
মন গ'লেই তুমি,
আপোন হৈ কিমান যে মৰম বিলাই দিয়া।
আকৌ মন গ'লেই তুমি,
আপোন হৈয়ো অচিন হৈ পৰা।

মন গ'লেই তুমি,
কাজিয়াৰ মাজতো ইমান মৰম দিয়া,
আকৌ মন গ'লেই তুমি,
মৰমৰ মাজতো কাজিয়া আৰম্ভ কৰা।

মন গ'লেই তুমি,
মোক সকলোৰে আগত নিজৰ বুলি কোৱা।
কেতিয়াবা মন গ'লেই তুমি,
মোক একেবাৰে পাহৰি নোযোৱাটো?

দিক্ষিতা স্বাতী কাকতি
তৃতীয় ষাণ্মাসিক